জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৭/২০২১

# সোণাপুৰস্থিত পুৰণি গাড়ীৰ সংগ্ৰহালয় ‘ট্ৰেজাৰড্ হুইলছ্’ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ২৬ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কামৰূপ মহানগৰ জিলাৰ সোণাপুৰৰ টেপেচিয়াস্থিত ‘ট্ৰেজাৰড্ হুইলছ্’ নামৰ চাৰিচকীয়া, দুচকীয়া বাহন আদিৰ সংগ্ৰহালয় পৰিদৰ্শন কৰে। পিকলু ডেকাৰ তত্ত্বাৱধানত পৰিচালিত হোৱা এই সংগ্ৰহালয়ত ১৯২১ চনৰ চেভ্ৰলেট গাড়ীকে ধৰি অষ্টিন-৭, ফিয়েট টপোলিনো, ভ’ক্সৱেগন, জীপ, মৰিছ, ফৰ্ড আদি গাড়ী সংৰক্ষণ কৰা হৈছে। দুচকীয়া বাহনৰ ক্ষেত্ৰত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ কেইবাখনো মটৰচাইকেলৰ লগতে ১৯৪০ চনৰ ৰ’য়েল এনফিল্ডৰ ছেলফ্ ষ্টাৰ্টাৰ স্কুটাৰকে ধৰি বহু আপুৰুগীয়া দুচকীয়া বাহন ৰখা হৈছে। সংগ্ৰাহলয়ৰ আন উল্লেখযোগ্য সামগ্ৰীসমূহ হৈছে ১৯৪৭ চনৰ ১৫ আগষ্টৰ ‘দ্যা ষ্টেটছমেন’ কাকতৰ এটা কপি, ১৮০০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰৰ বহু পুৰণি ঘড়ী আদি।

সংগ্ৰহালয়টো পৰিদৰ্শন কৰি হেৰাই যাবলৈ ধৰা এই আপুৰুগীয়া বাহনসমূহ সংৰক্ষণৰ বাবে লোৱা উদ্যোগৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে পিকলু ডেকাৰ শলাগ লয়। ‘ট্ৰেজাৰড্ হুইলছ্’ নামৰ সংগ্ৰহালয়টোৱে যাতে আৰু অধিক দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰিব পাৰে তাৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱা হ’ব বুলি মুখ্যমন্ত্ৰী সোণোৱালে সংগ্ৰহালয়টোৰ গৰাকী পিকলু ডেকাক আশ্বাস প্ৰদান কৰে।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক ঋতুপৰ্ণ বৰুৱা, সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱালকে ধৰি ৰাজ্যৰ প্ৰতিথযশা শিল্পী ননী বৰপূজাৰী, পুলক গগৈ আৰু চম্পক বৰবৰা মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনৰ সময়ত উপস্থিত থাকে।

**বীঃগঃ**

**২৬/০১/২০২১**